**REGIONAL NEWS UNIT**
ALL INDIA RADIO, GUWAHATI
0000000000

**Date :** 27-09-2024
**Time :** 1800 Hrs.

***Assamese Evening Bulletin***

নিৰ্মিয়মান যোৰহাট-মাজুলী দলঙৰ কাম যোৱা প্ৰায় ২০ দিন ধৰি বন্ধ হৈ থকাৰ সন্দৰ্ভত মুখ্যমন্ত্ৰী হিমন্ত বিশ্ব শৰ্মাই উদ্বেগ প্ৰকাশ কৰিছে। মুখ্যমন্ত্ৰীগৰাকীয়ে আজি কেন্দ্ৰীয় পথ পৰিবহন আৰু ৰাষ্ট্ৰীয় ঘাইপথ মন্ত্ৰী নীতিন গাদকাৰীলৈ পত্ৰ লিখি দলঙৰ কাম পুনৰ আৰম্ভ কৰিবলৈ অনুৰোধ জনায়। মুখ্যমন্ত্ৰীগৰাকীয়ে এই দলঙৰ নিৰ্মাণৰ কাম ২০২৫ বৰ্ষৰ ভিতৰত সম্পূৰ্ণ হৈ উঠিব পৰাকৈ কেন্দ্ৰীয় মন্ত্ৰীগৰাকীৰ তাৎক্ষণিক হস্তক্ষেপ বিচৰা বুলি সামাজিক মাধ্যমযোগে প্ৰকাশ কৰিছে। উল্লেখযোগ্য যে, বিৰোধী দলৰ সাংসদ গৌৰৱ গগৈয়েও যোৰহাট-মাজুলী সংযোগী দলঙৰ নিৰ্মাণ কাৰ্য বন্ধ হৈ থকাৰ পৰিপ্ৰেক্ষিতত কালি মুখ্যমন্ত্ৰীলৈ এখন জৰুৰী পত্ৰ প্ৰেৰণ কৰিছে। সাংসদগৰাকীয়ে ইয়াৰ লগতে যোৰহাটৰ বৰুৱা চাৰিআলি আৰু ভোগদৈৰ মাজৰ প্ৰস্তাৱিত উৰণীয়া সেতু নিৰ্মাণৰ স্থান আৰু আৰ্হিৰ পুনৰ বিবেচনা কৰিবলৈও মুখ্যমন্ত্ৰীক পত্ৰযোগে অনুৰোধ জনাইছে। তেওঁ লগতে গুৱাহাটীৰ নুনমাটিৰ এফ চি আইৰ পৰা দীঘলীপুখুৰীলৈকে নিৰ্মাণ কৰি থকা উৰণীয়া সেঁতুৰ কাম চলি থকা অৱস্থাত পাৰিপাৰ্শ্বিকতাৰ ওপৰত গুৰুত্ব প্ৰদান কৰিবলৈ মুখ্যমন্ত্ৰীক আহ্বান জনাইছে।

০০০০০০০

আজি বিশ্ব পৰ্যটন দিৱস। কেন্দ্ৰীয় তথা ৰাজ্য চৰকাৰৰ উদ্যোগত দেশৰ বিভিন্ন প্ৰান্তত আজি সেই অনুসৰি বিভিন্ন কাৰ্যসূচী ৰূপায়ণ কৰা হয়। পৰ্যটন মন্ত্ৰালয়ে গ্ৰাম্য পৰ্যটনৰ প্ৰসাৰৰ উদ্দেশ্যে অনুষ্ঠিত কৰা শ্ৰেষ্ঠ পৰ্যটন গাঁও প্ৰতিযোগিতা ২০২৪ত অসমৰ শুৱালকুছিয়ে শিল্প শিতানত শ্ৰেষ্ঠ গাঁৱৰ সন্মান লাভ কৰিছে। উল্লেখযোগ্য যে যোৱা বছৰ প্ৰথমবাৰৰ বাবে অনুষ্ঠিত কৰা এই প্ৰতিযোগিতাত দেশৰ মুঠ ৭৯৫খন গাঁৱে অংশগ্ৰহণ কৰাৰ বিপৰীতে এইবাৰ মুঠ অংশগ্ৰহণকাৰী গাঁৱৰ সংখ্যা ৯৯১ খনলৈ বৃদ্ধি পাইছে। উত্তৰ-পূৰ্বাঞ্চলৰ ৫খন ৰাজ্যকে ধৰি মুঠ ৩০ খন ৰাজ্য তথা কেন্দ্ৰীয় শাসিত অঞ্চলৰ এই গাঁওসমূহৰ ৩৬ খনে বিভিন্ন শিতানত শ্ৰেষ্ঠ বিবেচিত হৈছে। শুৱালকুছিৰ লগতে মেঘালয়ৰ মাফলং আৰু মণিপুৰৰ এন্দ্ৰো নামৰ গাঁও দুখনে ঐতিহ্য শিতানত শ্ৰেষ্ঠ গাঁৱৰ সন্মান লাভ কৰাৰ বিপৰীতে ত্ৰিপুৰাৰ আনপনা গ্ৰাম আৰু মিজোৰামৰ ছিয়ালচুক নামৰ গাঁও দুখনে সমূহীয়া ভিত্তিক পৰ্যটনৰ শিতানত শ্ৰেষ্ঠ গাঁৱৰ সন্মান লাভ কৰিছে। আনহাতে মেঘালয়ৰ ওমডেন গাঁৱে শিল্প শিতানত স্থান লাভ কৰিবলৈ সক্ষম হৈছে।

বিশ্ব পৰ্যটন দিৱসৰ সৈতে সংগতি ৰাখি আজি ৰাজ্যৰ পৰ্যটন মন্ত্ৰী জয়ন্ত মল্ল বৰুৱাই পৰ্যটকৰ বাবে মানসৰ প্ৰৱেশ দ্বাৰ মুকলি কৰে। বড়োলেণ্ড পৰ্যটন বিভাগৰ সহযোগত উদযাপিত পৰ্যটন দিৱসৰ অনুষ্ঠানত বক্তব্য ৰাখি তেওঁ কয় যে, বি টি আৰ অঞ্চলত শান্তি আৰু সুস্থিৰতাৰ পৰিৱেশ ঘূৰি অহাৰ বাবে মানস ৰাষ্ট্ৰীয় উদ্যানলৈ পৰ্যটকৰ সংখ্যা বিগত বছৰসমূহত বৃদ্ধি পাইছে। অনুষ্ঠানত বি টি আৰৰ মুখ্য কাৰ্যবাহী সদস্য প্ৰমোদ বড়ো উপস্থিত থাকি বছৰি এই ৰাষ্ট্ৰীয় উদ্যানখনলৈ পৰ্যটকৰ সংখ্যা বৃদ্ধি পোৱাৰ দৰে এইবাৰো যথেষ্ট সংখ্যক দৰ্শনাৰ্থীৰ আগমন ঘটিব বুলি আশা প্ৰকাশ কৰে।

উল্লেখযোগ্য যে ২০২৪-২৫ বৰ্ষৰ বাবে বিশ্ব ঐতিহ্য ক্ষেত্ৰ মানস ৰাষ্ট্ৰীয় উদ্যানখন পৰ্যটকৰ বাবে মুকলিৰ দিন পূৰ্বে ১ অক্টোবৰ ধাৰ্য কৰা হৈছিল যদিও পৰ্যটন দিৱসৰ লগত সংগতি ৰাখি বিভাগীয় কৰ্তৃপক্ষই ৰাষ্ট্ৰীয় উদ্যানখন আজি পৰ্যটকৰ কাৰণে মুকলি কৰে।

০০০০০০০

সদৌ অসম কৰ্মচাৰী পৰিষদৰ বাৰ্ষিক অধিৱেশনখন অহা ২৯ ছেপ্তেম্বৰৰ পৰা এক অক্টোবৰলৈ লখিমপুৰত অনুষ্ঠিত হ'ব। সেই অনুসৰি আজি অসম চৰকাৰৰ সাধাৰণ প্ৰশাসন বিভাগে অধিৱেশনত অংশগ্ৰহণ কৰিবলগীয়া ৰাজ্য চৰকাৰৰ কৰ্মচাৰীসকলৰ বাবে বিশেষ নৈমিত্তিক ছুটী লোৱাৰ বাবে অনুমতি প্ৰদান কৰিছে। নিৰ্দেশনাটোত স্পষ্ট কৰি দিয়া হৈছে যে, ২৯ ছেপ্তেম্বৰত অনুষ্ঠিত হ'বলগীয়া অসম প্ৰত্যক্ষ নিযুক্তি পৰীক্ষাত নিয়োজিত কোনো কৰ্মচাৰীয়ে জৰুৰী পৰিস্থিতিৰ বাহিৰে আন কোনো কাৰণত ৰেহাই নাপাব। পৰীক্ষাৰ দায়িত্ব সম্পন্ন হোৱাৰ পিছতহে এনে কৰ্মচাৰীয়ে বিশেষ নৈমিত্তিক ছুটী লোৱাৰ বাবে আবেদন কৰিব পাৰিব।

০০০০০০০

তেজপুৰত আজি মিছন বসুন্ধৰাৰ তৃতীয় পৰ্যায়ৰ বাবে এখন সজাগতা সভা অনুষ্ঠিত হয়। জিলাই আয়ুক্তৰ সভাপতিত্বত শোণিতপুৰ জিলা প্ৰশাসনৰ তত্বাৱধানত এই সজাগতা সভাখন অনুষ্ঠিত হয়। সভাখনত মৌজাদাৰ, ভূমি অভিলেখ পৰ্যবেক্ষক, সহায়ক, গাঁও প্ৰধান, পি এফ চি আৰু চি এফ চিৰ প্ৰতিনিধিসকল উপস্থিত থাকে। সভাত অংশগ্ৰহণকাৰীসকলক মিছন বসুন্ধৰাৰ তৃতীয় পৰ্যায়ৰ মূল সেৱাসমূহৰ বিষয়ে সম্যক জ্ঞান প্ৰদান কৰা হয়।
০০০০

০০০০০০০

শিৱসাগৰ জিলা জাঁজীৰ পৰা ডিমৌলৈ নিৰ্মীয়মান ৪ লেনযুক্ত ৰাষ্ট্ৰীয় ঘাইপথৰ নিৰ্মাণকাৰ্যৰ বুজ লোৱাৰ উদ্দেশ্যে আজি শিৱসাগৰ জিলা আয়ুক্তগৰাকীয়ে জাঁজীৰ পৰা শিৱসাগৰলৈ ৩৭ নম্বৰ ৰাষ্ট্ৰীয় ঘাইপথছোৱা পৰিদৰ্শন কৰে। পৰিদৰ্শনৰ সময়ছোৱাত জিলা আৰক্ষী অধীক্ষক, N.H.I.D.C.L. ৰ বিষয়ববীয়া, অতিৰিক্ত জিলা আয়ুক্ত, আমগুৰি আৰু শিৱসাগৰ ৰাজহ চক্ৰৰ চক্ৰ বিষয়াসকল উপস্থিত থাকে।

০০০০০০০

কানপুৰৰ গ্ৰীন পাৰ্কত অনুষ্ঠিত ভাৰত আৰু বাংলাদেশৰ মাজত অনুষ্ঠিত দ্বিতীয়খন ক্ৰিকেট টেষ্ট মেছত বৰ্ষাবিঘ্নিত প্ৰথম দিনাৰ খেলৰ অন্তত বাংলাদেশে ৩ উইকেটত ১০৭ ৰাণ সংগ্ৰহ কৰে। প্ৰৱল বৃষ্টিপাতৰ বাবে প্ৰথম দিনাৰ খেল বন্ধ হোৱাৰ সময়ত বাংলাদেশৰ মমিনুল হকে ৪০ আৰু মুছফিকুৰ ৰহিমে ৬ ৰাণ কৰি ক্ৰীজত আছে। ইয়াৰ পূৰ্বে ভাৰতে টছত জিকি প্ৰথমে বলিং কৰাৰ সিদ্ধান্ত লয়।

০০০০

**সমাপ্ত**